# Indian nationals on board Diamond Princess cruise ship off Japan coast brought back in a special flight

February 27, 2020

---

# জাপান উপকূলত ডায়মণ্ড প্ৰিন্স ক্ৰুজ জাহাজ থকা ভাৰতীয় নাগৰিকসকল বিশেষ বিমানেৰে উভতি আহে

ফেব্ৰুৱাৰী 27, 2020

1. 27 ফেব্ৰুৱাৰী 2020 তাৰিখে এয়াৰ ইণ্ডিয়াৰ এখন বিশেষ বিমানে জাপানৰ য়কহামা জাহাজঘাটত ডায়মণ্ড প্ৰিন্স ক্ৰুজ জাহাজত থকা 119 ভাৰতীয় নাগৰিক(113 জন নাবিকদল আৰু 6 জন যাত্ৰী) টকিঅ'ৰ পৰা নতুন দিল্লীত আহি উপস্থিত হয়হি। ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি আৰু ভাৰত- প্ৰশান্তীয় দৃষ্টিকোণৰ পৰা বিশেষ বিমানেৰে 5 গৰাকী - 2 জন শ্ৰীলংকাৰ, 1 জন নেপালৰ, 1 জন দক্ষিণ আফ্ৰিকাৰ আৰু 1 জন পেৰুভিয়ানৰ বিদেশী নাগৰিকক উভতাই আনিছিল। এই নাগৰিকসকলক হাৰিয়ানাৰ মানেশ্বৰত ভাৰতীয় সেনাৰ দ্বাৰ স্থাপন কৰা কোৱাৰেনটাইন সুবিধাসহ 14 দিনৰ বাবে কোৱাৰেনটাইনত থাকিব।

2. 03 গৰাকী ভাৰতীয় নাবিকদলৰ সদস্য বিশেষ বিমানখনত নাহে আৰু তেওঁলোকে জাপান চৰকাৰৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা বৰ্ধিত কোৱাৰেনটানৰ সময়সীমা সম্পূৰ্ণ কৰাৰ কাৰণে ক্ৰুজত নিজৰ সময় অতিবাহিত কৰাৰ কথা ব্যক্ত কৰে।

3. মূলতঃ ডয়মণ্ড প্ৰিন্সছেহ্ত থকা মুঠ 138 জন ভাৰতীয় নাগৰিকৰ ভিতৰত 16 গৰাকী নাবিকদলৰ সদস্যক কৰোনা ভাইৰাছ- 2019(কভিড-19) পজিটিভ পোৱা গৈছে আৰু তেওঁলোকে জাপানত ততকালীন চিকিত্সা সেৱা আৰু চিকিত্সা লাভ কৰিছে। টকিঅত থকা ভাৰতীয় দূতাবাসে এই ব্যক্তিসকলৰ লগত যোগাযোগ স্থাপন কৰি আছে আৰু তেওঁলোকৰ আৰোগ্যৰ ওপৰত ধাৰাবাহিকভাৱে খবৰ ৰাখি আছে।

4. এই জাহাজখনক জাপান চৰকাৰে 5 ফেব্ৰুৱাৰী 2020 তাৰিখৰ পৰা 19 ফ্ৰেব্ৰুৱাৰী 2020 লৈকে 14 দিনৰ কাৰণে কোৱাৰেনটানত ৰাখিছিল, যিহেতু জাহাজত অৱতীৰ্ণ হোৱা যাত্ৰীসকলৰ মাজৰ এজনৰ গাত কোভিড-19 পজিটিভ ধৰা পৰে। কোৱাৰেনটাইনৰ ম্যাদকাল জাপান চৰকাৰে বঢ়াই দিছিল কাৰণ নাবিকদলৰ সদস্যসকলে 14 দিনৰ প্ৰাৰম্ভিক ম্যাদৰ সময়ছোৱাত তেওঁলোকৰ নিয়মিত দায়িত্ব পালন কৰি আছিল।

**নতুন দিল্লী**
**ফ্ৰেব্ৰুৱাৰী 27, 2020**

**DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.**